জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১৯/২০২০

# সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় অধিৱেশনত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## সদৌ মৰাণ ছাত্ৰ সন্থাই মৰাণ জনগোষ্ঠীৰ লগতে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা সমন্বয়ৰ বান্ধোন সুদৃঢ় কৰাৰ দিশত বিশিষ্ট বৰঙনি যোগাই আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ অক্টোবৰ ঃ** ‘সদৌ মৰাণ ছাত্ৰ সন্থাই কেৱল মৰাণ জনগোষ্ঠীৰ মাজতে নহয়, ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা সমন্বয়ৰ বান্ধোন সুদৃঢ় কৰা তথা উত্তৰণৰ দিশত বিশিষ্ট বৰঙনি যোগাই আহিছে। মৰাণ জনগোষ্ঠীক আৰ্থ-সামাজিক, সাংস্কৃতিক, বৌদ্ধিক দিশেৰে একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী বাতাবৰণৰ সৈতে আগুৱাই যোৱাৰ বাবে সদৌ মৰাণ ছাত্ৰ সন্থাই যি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে সেয়া নিশ্চয়কৈ প্ৰশংসনীয়।’ আজি ডিগবৈৰ মুলিয়াবাৰীৰ বদৌচা সমন্বয় ক্ষেত্ৰত সদৌ মৰাণ ছাত্ৰ সন্থাৰ একবিংশতিতম্ কেন্দ্ৰীয় অধিৱেশন আৰু সাংস্কৃতিক সমাৰোহৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিগত চাৰে চাৰি বছৰ ধৰি মৰাণ ছাত্ৰ সন্থাকে ধৰি মৰাণ জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠনসমূহৰ আন্তৰিক সহায়-সহযোগিতা পাই আহিছে। মুখ্যমন্ত্ৰীয়ে মৰাণ জনগোষ্ঠীৰ বিভিন্ন সংগঠনক এই সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰে । বৰ্তমানৰ ৰাজ্য চৰকাৰখনক অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীয়ে আস্থা আৰু বিশ্বাসেৰে শাসনত অধিস্থিত কৰিছে। সেয়েহে চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছতে গুৱাহাটীত সকলো জাতি-জনগোষ্ঠীৰ সৈতে মত-বিনিময় কৰাৰ উদ্দেশ্যেৰে ‘সহোদৰ’ নামৰ এক অনুষ্ঠানৰ আয়োজন কৰিছিল। প্ৰায় ৭০ টা বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠনে অংশ গ্ৰহণ কৰা এই অনুষ্ঠানতে চৰকাৰখনে আন্তৰিকতাৰে এই সংগঠনসমূহৰ সৈতে মত-বিনিময় কৰিছিল। এই অনুষ্ঠানতে বিভিন্ন জনগোষ্ঠীৰ সংগঠনসমূহে তেওঁলোকে ইমান দিনে বঞ্চিত হৈ থকা বিষয়সমূহ মুকলি কৈ ব্যক্ত কৰিছিল। চৰকাৰখনে কেনেধৰণে

সকলো জাতি-জনগোষ্ঠীৰ বাবে কাম কৰিব লাগে এই অনুষ্ঠানতে তেওঁলোকে পৰামৰ্শ আগবঢ়াইছিল আৰু সেই পৰামৰ্শৰ ভিত্তিতে চৰকাৰখনে নীতি প্ৰস্তুত কৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰখনে খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ স্বাভিমান বৃদ্ধি কৰাৰ বাবে নিষ্ঠা সহকাৰে কাম কৰিছে। চৰকাৰখনে বিভিন্ন জাতি-জনগোষ্ঠীৰ বীৰ পুৰুষসকলৰ স্মৃতি অনুষ্ঠান ৰাজ্যিক মৰ্যাদাৰে আয়োজন কৰিছে। চৰকাৰখনে মৰাণ জনগোষ্ঠীৰ বীৰ পুৰুষ ৰাঘৱ মৰাণৰ স্মৃতি দিৱস আয়োজন কৰাৰ উপৰি বীৰ ৰাঘৱ মৰাণ বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছে। ঠিক তেনেদৰে সৰ্বানন্দ সিংহৰ নামেৰেও প্ৰতিবছৰে অনুষ্ঠান আয়োজনৰ বাবে চৰকাৰে অনুষ্ঠানৰ আয়োজন কৰিছে। এইখন চৰকাৰে অসমৰ জাতি-মাটি-ভেটি, কৃষ্টি-সংস্কৃতিক ৰক্ষাৰ বাবে নিষ্ঠাসহকাৰে কাম কৰিছে। অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলে বছৰ বছৰ ধৰি মাটিৰ ওপৰত থকা অধিকাৰ সাব্যস্ত কৰিব নোৱাৰাৰ ফলশ্ৰুতিত তেখেতসকলে অনিশ্চয়তাত ভুগিছিল। এই কথাতো বৰ্তমানৰ চৰকাৰখনে মৰ্মে মৰ্মে অনুধাৱন কৰিয়েই খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ মাটিৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰণৰ দিশত বলিষ্ঠ নীতি গ্ৰহণ কৰিছে। ইয়াৰ ফলশ্ৰুতিত চৰকাৰখনে ১ লাখৰো অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰিবলৈ সক্ষম হৈছে আৰু ১ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদানৰ বাবে পদক্ষেপ লৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চৰকাৰখনে খিলঞ্জীয়াৰ মাটি-ভেটিৰ ওপৰত অধিকাৰ সাব্যস্তকৰণৰ ওপৰত কাম কৰাৰ উপৰি কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবেও 'অসম দৰ্শন'ৰ লেখীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অধীনতে সত্ৰ আৰু নামঘৰসমূহলৈ বিত্তীয় সাহায্য আগবঢ়াইছে যাতে আমাৰ সাতামপুৰুষীয়া পৰম্পৰা আৰু গুৰুজনাৰ আদৰ্শক জীয়াই ৰাখিব পৰা যায়। চৰকাৰখনে ভাষা, সাহিত্য আৰু সংস্কৃতি ৰক্ষাৰ বাবেও নিষ্ঠা সহকাৰে কাম কৰিছে। ইয়াৰ অধীনতে অসম সাহিত্য সভাকে ধৰি জনগোষ্ঠীয় সাহিত্য সভাসমূহক কৰপাছ পুঁজি গঠনৰ বাবে চৰকাৰখনে পুঁজি আবন্টন দিছে। চৰকাৰখনে ঐতিহ্যপূৰ্ণ স্থানসমূহৰ সংৰক্ষণৰ দিশতো দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মৰাণ জনগোষ্ঠী বহুতো বীৰপুৰুষৰ বীৰত্বৰ কাহিনীৰে সমৃদ্ধ। সেয়েহে নৱ প্ৰজন্মক মুখ্যমন্ত্ৰীয়ে এই বীৰ পুৰুষসকলৰ বিষয়ে ভালদৰে অধ্যয়ন কৰি তেনে আদৰ্শৰে আগুৱাই যোৱাৰ বাবে আহ্বান জনায়। বীৰ ৰাঘৱ মৰাণে সমন্বয়ৰ যি আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে সেই আদৰ্শৰে পৰিচালিত হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মৰাণ জনগোষ্ঠীৰ বীৰ-বীৰাংগনা সকলে আগবঢ়াই যোৱা অৱদান সকলোৰে শ্ৰদ্ধাৰে স্মৰণ কৰি এখন শক্তিশালী সমাজ নিৰ্মাণৰ কামত অগ্ৰসৰ হোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰবল ইচ্ছা শক্তি, মনোবল আৰু কঠোৰ পৰিশ্ৰমেৰে সকলো সম্ভৱ বুলি উল্লেখ কৰি জাতিটোক শক্তিশালী কৰাৰ বাবে সৰ্বান্তকৰণেৰে আত্মনিয়োগ কৰাৰ বাবেও তেওঁ আহ্বান জনায়। লোকসংস্কৃতি সংৰক্ষণৰ লগত জড়িত ব্যক্তিসকলক ৰাইজে সহায়-সহযোগিতা আগবঢ়োৱা উচিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তেনে ধৰণৰ কাৰ্যত চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও তেওঁ কয়। সদৌ মৰাণ ছাত্ৰ সন্থাই আগন্তুক

দিনতো বৃহত্তৰ অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত শক্তিশালী ভূমিকা পালন কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, বিধায়কসকল ক্ৰমে সুৰেন ফুকন, ভাস্কৰ শৰ্মা, বলীন চেতিয়া, সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**৩১/১০/২০২০**